অধ্যায় ২ ঃ আয়ুর্বেদ আৰু বাস্তুশাস্ত্র

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ আয়ুর্বেদ বা চিকিৎসা শাস্ত্র
২.৩.১ আয়ুর্বেদ শাস্ত্ৰৰ উদ্দেশ্য আৰু ভাগ
২.৩.২ আয়ুর্বেদ শাস্ত্ৰৰ উৎস
২.৩.৩ বিভিন্ন আয়ুর্বেদ শাস্ত্ৰৰ উল্লেখ
২.৪ বাস্তুশাস্ত্ৰৰ পৰিচয়
২.৪.১ বাস্তুশাস্ত্ৰৰ উৎস
২.৪.২ বিভিন্ন বাস্তুশাস্ত্ৰৰ উল্লেখ
২.৫ শব্দার্থ তালিকা
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবলৈ
২.৮ অগ্রগতিৰ খাতিয়ান
২.৯ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- আয়ুর্বেদ শাস্ত্র কাক বোলে তথা ইয়াৰ লক্ষণৰ বিষয়ে জানিব পাৰিব
- আয়ুর্বেদ শাস্ত্ৰৰ অৱতৰণ আৰু উৎসৰ বিষয়ে জানিব পাৰিব
- বিভিন্ন আয়ুর্বেদ শাস্ত্ৰৰ লগত পৰিচয় হ'ব পাৰিব
- 'বাস্তু' শব্দৰ অর্থ জানিব পাৰিব
- বাস্তুশাস্ত্র কাক বোলে আৰু ইয়াৰ উৎসৰ বিষয়ে জানিব পাৰিব
- বাস্তুশাস্ত্ৰৰ অৱতৰণৰ বিষয়ে জানিব পাৰিব
- বিভিন্ন বাস্তুশাস্ত্ৰৰ লগত পৰিচয় হ'ব পাৰিব।

২.২ পৰিচয়

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি আয়ুর্বেদ আৰু বাস্তুবিদ্যাৰ বিষয়ে সবিশেষ জ্ঞান লাভ কৰিব পাৰিব। আপুনি জানিব পাৰিব যে সংস্কৃত কাব্য, নাটক আদি কাব্যসমূহৰ উপৰিও বিজ্ঞান ভিত্তিক সাহিত্যও কাব্যৰ অন্তর্ভুক্ত। বিজ্ঞানভিত্তিক সাহিত্য হৈছে—

যি সাহিত্যত বিজ্ঞান, শিল্পকলা, জ্যোতির্বিদ্যা, গণিতবিদ্যা, প্রযুক্তিবিদ্যা আদিৰ সন্নিবেশ হয় তাকেই বিজ্ঞানভিত্তিক সাহিত্য বা Scientific Literature বোলা হয়। বিজ্ঞানৰ বিবিধ বিভাগসমূহ হৈছে আয়ুর্বেদ বা চিকিৎসা শাস্ত্র, জ্যোতির্বিদ্যা বা নক্ষত্রবিদ্যা, গণিতবিদ্যা, শিল্প আৰু স্থপতি বা বাস্তুশাস্ত্র ইত্যাদি।

আয়ুর্বেদ শাস্ত্রই 'আয়ু' অর্থাৎ শৰীৰ সম্পর্কীয় জ্ঞান দিয়ে। মানুহে শৰীৰটোক কেনেকৈ নিৰোগী আৰু স্বাস্থ্যবান কৰি ৰাখিব পাৰে সেই সম্পর্কে বিবিধ জ্ঞান দিয়ে।

বাস্তুবিদ্যাৰ পৰিচয় বৈদিক কালতেই পোৱা যায়। বাস্তুবিদ্যাক স্থপতিবিদ্যাও বোলা হয়। দেৱতাসকলৰ প্রধান বাস্তুকাৰ বিশ্বকর্মাই অত্যন্ত সুপৰিকল্পিতভাবে গৃহ নির্মাণ, নগৰ, গাঁও আদি নির্মাণৰ নিয়ম আৰু বিধিনিষেধ আদি 'বিশ্বকর্মাবাস্তুশাস্ত্র'ত লিপিবদ্ধ কৰিছে। প্রাচীন ভাৰতীয় মন্দিৰ, চৈত্য প্রভৃতিৰ নির্মাণত স্থাপত্য আৰু ভাস্কর্যশিল্পৰ পৰাকাষ্ঠা পৰিলক্ষিত হয়।

এতিয়া এই অধ্যায়ত আপুনি আয়ুর্বেদ লক্ষণ, ভাগ, উৎস তথা বিভিন্ন আয়ুর্বেদ শাস্ত্রৰ বিষয়ে জানিব। ইয়াৰোপৰি বাস্তুশাস্ত্রৰ উৎস, লক্ষণ তথা বিভিন্ন বাস্তুশাস্ত্রৰ বিষয়ে জানিব পাৰিব।

২.৩ আয়ুর্বেদ বা চিকিৎসা শাস্ত্র

এতিয়া আপুনি 'আয়ুর্বেদ' শাস্ত্র কাক বোলে সেই বিষয়ে জানিব পাৰিব—

যি শাস্ত্রৰ দ্বাৰা আয়ুৰ হিত আৰু অহিত তথা ৰোগসমূহৰ লক্ষণ আৰু নিৰাময়ৰ উপায় জানিব পাৰি সেই শাস্ত্রকে পণ্ডিতসকলে আয়ুর্বেদ বুলি অভিহিত কৰিছে। 'আয়ুর্বেদ' শব্দৰ ব্যুৎপত্তি 'চৰকসংহিতা'ত এনেদৰে পোৱা যায়—

হিতাহিতং সুখং দুঃখমায়ুস্তস্য হিতাহিতম্।

মানং চ তচ্চ যত্রোক্তমায়ুর্বেদঃ স উচ্যতে।। (চৰকসংহিতা ১/৪১)

যি শাস্ত্রত হিতময় বা উপকাৰী, অহিতময় বা অপকাৰী, সুখময়, দুঃখময় তথা আয়ুৰ বাবে হিতকৰ আৰু অহিতকৰ দ্রব্য, গুণ, কর্ম আৰু আয়ুৰ প্রমাণ আৰু লক্ষণৰ দ্বাৰা আয়ুৰ বর্ণনা কৰা হয় তাকেই আয়ুর্বেদ বোলে।

২.৩.১ আয়ুর্বেদ শাস্ত্রৰ উদ্দেশ্য আৰু ভাগ

আয়ুর্বেদ শাস্ত্রৰ বিষয়ে জনাৰ পিছত এতিয়া আপুনি আয়ুর্বেদ শাস্ত্রৰ উদ্দেশ্য আৰু ভাগসমূহৰ বিষয়ে জানিব পাৰিব।

শৰীৰ, ইন্দ্রিয়, মন তথা আত্মাক পৰস্পৰে সংযোগ কৰি ৰখা সময়খিনিক 'আয়ু' বুলি কোৱা হয়।

শৰীৰেন্দ্রিয়সত্বাত্মসংযোগোৰায়ুৰুচ্যতে। —চৰকসংহিতা ১/৪১

এই 'আয়ু' আৰু 'বেদ' (জ্ঞান) অর্থাৎ আয়ুর্বেদ বা আয়ুৰ জ্ঞান লাভ কৰা

পৰম পুণ্যজনক বুলি বেদবিদ পুৰুষসকলে কয়। আয়ুর্বেদ শাস্ত্ৰৰ মূল উদ্দেশ্য হৈছে— সুস্থসকলৰ স্বাস্থ্য অটুত ৰখা আৰু ৰোগাক্রান্তসকলৰ ৰোগ নিৰাময় কৰা।

আয়ুর্বেদৰ মতে মানুহৰ কেৱল কায়িক উৎকর্ষ সাধন হ'লেই স্বাস্থ্যবান হ'ব নোৱাৰে। ইয়াৰ বাবে মানসিক উৎকর্ষ সাধনৰো বিশেষ প্রয়োজন। সেইবাবে মানসিক উৎকর্ষতা লাভৰ বাবে আয়ুর্বেদ গ্রন্থৰ ঠায়ে ঠায়ে সৎবাক্য, সদাচাৰ আদিৰ সন্নিবেশ হৈছে। 'চৰক সংহিতা'ত বর্ণনা কৰা আছে যিদৰে ৰসায়ন ঔষধ সেৱন কৰিলে মানুহৰ বল, পুষ্টি আদি সাধন হৈ মানুহৰ আয়ুস বাঢ়ে সেইদৰে আচাৰ, সদাচাৰ, সৎবাক্য অনুশীলনৰ পৰা মানুহৰ উৎকর্ষ সাধন হয়।

যদিও প্রধানকৈ শৰীৰক আৰোগ্য কৰাৰ বাবে ঔষধ প্রয়োগ কৰা হয়, তথাপি আত্মাই অৱশেষত উপকাৰ পায় বুলি ক'ব লাগিব। আয়ুর্বেদৰ মূল উদ্দেশ্য হৈছে স্বাস্থ্য ৰক্ষাৰ মূলনীতি বহন কৰি ৰখা।

আয়ুর্বেদ শাস্ত্রই মানৱৰ ৰোগ নিবাৰণ কৰাৰ উপৰিও জীৱ-জন্তু আৰু উদ্ভিদৰো নিৰাময়ৰ বিভিন্ন আলোচনা আগবঢ়াইছে।

অর্থাৎ আয়ুর্বেদ শাস্ত্ৰৰ মূল উদ্দেশ্য হৈছে কেৱল ৰোগ নির্মূল কৰোৱাটোৱেই নহয়, কেনেকৈ ৰোগত পীড়িত নোহোৱাকৈ স্বাস্থ্য ৰক্ষা কৰিব পাৰি।

আয়ুর্বেদ চিকিৎসা শাস্ত্ৰৰ আঠটা ভাগ আছে, সেয়া হৈছে—

১) শল্যতন্ত্র (Major Surgery)
২) শালাক্য তন্ত্র (Minor Surgery)
৩) কায় চিকিৎসা (Therapeutics)
৪) ভূতবিদ্যা (Demonology)
৫) কৌমাৰভৃত্য তন্ত্র (Paediatrics)
৬) অগদতন্ত্র (Taxicology)
৭) ৰসায়ন তন্ত্র (Elixir)
৮) বাজীকৰণ তন্ত্র (Aphrodisiacs)

উপৰোক্ত ভাগসমূহৰ ওপৰত প্রাচীন আচার্যসকলে ৰোগ নির্ণয় আৰু নিৰাময়ৰ ব্যৱস্থা কৰিছে।

২.৩.২ আয়ুর্বেদ শাস্ত্ৰৰ উৎস

আয়ুর্বেদ শাস্ত্ৰৰ উদ্দেশ্য আৰু ভাগসমূহৰ বিষয়ে জনাৰ পিছত এতিয়া আপুনি আয়ুর্বেদশাস্ত্ৰৰ উৎস সম্পর্কে জানিব পাৰিব—

ভাৰতবর্ষত অতি প্রাচীন কালৰে পৰা আয়ুর্বেদৰ ব্যাপক অনুশীলন হৈ আহিছে। অন্যান্য শাস্ত্ৰৰ নিচিনাকৈ এই শাস্ত্ৰবিশাৰদ আচার্যসকলৰ নাম পোৱা যায়— ভৰদ্বাজ, আত্রেয়, অগ্নিবেশ, জাতুকর্ণ, ভেল, হাৰীত, ক্ষাৰপাণি, ধন্বন্তৰি প্রভৃতি। বৈদিক সূর্য

আৰু ৰুদ্র দেৱতাসকল, অশ্বিনীকুমাৰদ্বয়, ব্রহ্মা, বিষ্ণু, নাৰায়ণ, শিৱ, প্রভৃতি দেৱতাসকল ৰোগনিৰাময়ৰ আধিকাৰিকৰূপে অভিনন্দিত। আনকি চিকিৎসাগ্রন্থৰ প্রণেতাৰূপেও দেৱতাসকলৰ নাম উল্লেখ পোৱা যায়—

১) প্রজাপতি ব্রহ্মাৰ— ব্রহ্মসংহিতা

২) অশ্বিনীকুমাৰদ্বয়ৰ ৰচনাৰূপে প্রচলিত অশ্বিনী কুমাৰ সংহিতা আৰু নাড়ীনিদান

৩) শিৱপ্রণীত 'কৈলাশকাৰক' আৰু 'বৈদ্যৰাজতন্ত্র' নামে দুখন গ্রন্থৰ উল্লেখ পোৱা যায়।

৪) চক্রপাণিদত্তৰ 'শৈৱসিদ্ধান্ত' নামৰ গ্রন্থৰ উল্লেখ আছে।

৫) ব্রহ্মবৈৱর্ত্তপুৰাণত "চিকিৎসাসাৰতন্ত্র" নামৰ চিকিৎসা শাস্ত্রখন অশ্বিনীকুমাৰদ্বয়ৰ প্রণীত বুলি উল্লেখ আছে। এই পুৰাণতেই 'ভাস্কৰসংহিতা' নামৰ আন এখন গ্রন্থৰ নাম পোৱা যায়।

৬) 'বাহটসংহিতা' নামৰ গ্রন্থখন শিৱপুত্র কার্ত্তিকৰ নামত প্রচলিত।

বিশেষতঃ অথর্ববেদৰ ভৈষজ্যবিদ্যাৰ বহুমন্ত্রত গছ-গছনিৰ প্রয়োগৰ দ্বাৰা ৰোগ নিৰাময়ৰ বিধান আলোচনা কৰা হৈছে। ইয়াৰ উদ্দেশ্য হৈছে ভাৰতত উৎপন্ন হোৱা অসংখ্য গছ-গছনিৰ বিবিধ অংশৰ প্রয়োগ তথা স্বাদ, গন্ধ, ক্রিয়া-বিক্রিয়াৰ দ্বাৰা ব্যাধি নিৰাময়। কালক্রমত অষ্টাঙ্গ আয়ুর্বেদ শাস্ত্র উদ্ভৱ হয় আৰু আয়ুর্বেদসন্মত চিকিৎসা পদ্ধতিৰ ওপৰত বহুগ্রন্থ প্রণীত হয়।

পুৰাণসমূহত আয়ুর্বেদ প্রণেতা আৰু গ্রন্থৰ নাম পোৱা যায়। সেয়া হৈছে—

১) ধন্বন্তৰি প্রণীত— চিকিৎসা 'তত্ত্ববিজ্ঞান'।

২) দিবোদাস প্রণীত— 'চিকিৎসা দর্শন'।

৩) নফুল প্রণীত— 'বৈদ্যকসর্বস্ব'।

৪) কাশীৰাজ প্রণীত— 'চিকিৎসা কৌমুদী'।

প্রাচীন আচার্যসকলৰ মতামত সংৰক্ষণৰ উদ্দেশ্যে পৰৱর্তীকালত একাধিক সঙ্কলন গ্রন্থৰ উদ্ভৱ হয়।

২.৩.৩ বিভিন্ন আয়ুর্বেদ শাস্ত্রৰ উল্লেখ

আয়ুর্বেদ শাস্ত্র উৎসৰ পিছত এতিয়া আপুনি বিভিন্ন আয়ুর্বেদ শাস্ত্রৰ বিষয়ে জানিব পাৰিব—

আটাইতকৈ প্রাচীন আৰু সমৃদ্ধ সংকলন হৈছে— 'চৰকসংহিতা'। এই গ্রন্থ চৰকৰ দ্বাৰা সংকলিত, আনুমানিক প্রথম শতিকা। ইয়াৰ পাছতে 'সুশ্রুত সংহিতা' (সুশ্রুতৰ দ্বাৰা সংকলিত, আনুমানিক খ্রীষ্টাব্দ ৫ম আৰু ৬ষ্ঠ শতিকা)। কায় চিকিৎসাৰ প্রাচীন আচার্য আত্রেয়। তেওঁৰ প্রৱর্ত্তিত চিকিৎসা পদ্ধতিত অভিজ্ঞ ছয়জন শিষ্য

হৈছে— অগ্নিবেশ, ভেল, জাতুকর্ণ, পৰাশৰ, ক্ষাৰপাণি আৰু হাৰীত। এই শিষ্যসকলে প্রত্যেকেই নিজ নিজ নামেৰে পৃথকে সংহিতা ৰচনা কৰিছিল। কিন্তু সেই গ্রন্থসমূহ বর্তমান লুপ্ত।

১) **চৰকসংহিতা ঃ** অগ্নিবেশ ৰচিত সংহিতাৰ বিশুদ্ধ সংস্কৰণ হৈছে 'চৰকসংহিতা'। গ্রন্থখন শাস্ত্রবিধি অনুসাৰে ৰচিত। চৰকে প্রাচীন অগ্নিবেশৰ তন্ত্রক সংকলন কৰিছে। গ্রন্থখনৰ কোনো কোনো অংশত আত্রেয় আৰু অগ্নিবেশ যথাক্রমে বক্তা আৰু শ্রোতাৰূপে উপস্থাপিত হৈছে। মহাত্মা চৰকৰ সম্পর্কে এই গ্রন্থত কোনো তথ্য পোৱা নাযায়। মূল 'চৰকসংহিতা' চৰকৰ পৰৱর্ত্তী কপিলৰ পুত্র দৃঢ়বলে সমাপ্ত কৰিছে। এই গ্রন্থৰ আঠটা ভাগ আছে। যেনে— ১) সূত্রস্থান, ২) নিদানস্থান, ৩) বিমানস্থান, ৪) শৰীৰস্থান, ৫) ইন্দ্রিয়স্থান, ৬) চিকিৎসাস্থান, ৭) কল্পস্থান, ৮) সিদ্ধিস্থান।

উক্ত প্রতিভাগৰে বিষয়বস্তুসমূহ হৈছে—

১) **সূত্রস্থান ঃ** সূত্রস্থানত খনিজ, উদ্ভিদ, প্রাণীজ এই প্রকাৰে দ্রব্য বিশ্লেষণ হৈছে। উদ্ভিদ— বনস্পতি, বৃক্ষ, বীৰুধ আৰু ঔষধি। প্রাণীজভেদে— জৰায়ুজ, অণ্ডজ, স্বেদজ। খনিজ আৰু উদ্ভিজ্জ দ্রব্যসমূহ ৰোগনিৰাময়ৰ কাৰণে প্রয়োগ কৰা হৈছে। আৰু ইয়াৰ নানা ক্রিয়া-প্রতিক্রিয়া আলোচিত হৈছে। প্রাণীজ বস্তুৰ জন্ম, প্রকৃতি, অৱস্থান তথা জীৱন্ত আৰু মৃত অৱস্থাত সেইবোৰৰ বিক্রিয়া আদি আলোচিত হৈছে।

২) **নিদানস্থান ঃ** নিদানস্থানত বিভিন্ন প্রকাৰৰ ৰোগৰ আলোচনা, ৰোগৰ মুখ্য আৰু গৌণকাৰণ, সংক্রমণ, প্রসাৰ, পৰিবর্তন প্রভৃতিৰ বিশদ বর্ণনা আছে।

৩) **বিমানস্থান ঃ** বিজ্ঞানস্থান মানৱদেহ আৰু মনস্তত্ত্বৰ আলোচনা, ভৌতিক দেহৰ উপাদান, মনৰ স্বৰূপ, পৰিবেশ, প্রকৃতি প্রভৃতিৰ ওপৰত দেহ আৰু মনৰ প্রভাৱ আৰু প্রতিক্রিয়া ইত্যাদিৰ আলোচনা আছে।

৪) **শৰীৰস্থান ঃ** শৰীৰস্থানত মানৱদেহৰ অঙ্গ-প্রত্যঙ্গৰ বিৱৰণ আৰু বৈশিষ্ট্য উল্লেখ কৰা হৈছে।

৫) **ইন্দ্রিয়স্থান ঃ** মানৱদেহ আৰু মনৰ লক্ষণ বিচাৰ কৰি ভৱিষ্যতৰ ব্যাধি বিষয়ক আশঙ্কা আৰু তাৰ ফল এই ইন্দ্রিয়স্থানত উল্লেখ কৰা হৈছে।

৬) **চিকিৎসাস্থান ঃ** মানৱ শৰীৰৰ বিবিধ ৰোগ, তাৰ উপশম, ভৈষজ্য চিকিৎসাৰ উপাদান, প্রস্তুত প্রণালী, ভৈষজ্য আৰু ধাতৱ উপাদানৰ মিশ্রণ ইত্যাদিৰ বিৱৰণ এই চিকিৎসাস্থানত পোৱা যায়।

৭-৮) **কল্পস্থান আৰু সিদ্ধিস্থান ঃ** চিকিৎসকৰ কর্ত্তব্য আৰু দায়িত্বৰ বিষয়ে আলোচনা সন্নিবিষ্ট আছে।

অগ্নিবেশ ৰচিত চৰকৰ দ্বাৰা সংকলিত চৰকসংহিতা কায়চিকিৎসাৰ শ্রেষ্ঠ গ্রন্থ। ই হৈছে প্রাচীন ভাৰতীয় চিকিৎসা শাস্ত্রৰ তত্ত্বদর্শন, ৰোগ আৰু আৰোগ্যবিষয়ক সম্পূর্ণ অনবদ্য ৰচনা। এই গ্রন্থৰ ওপৰত ভালেমান টীকা গ্রন্থ ৰচিত হৈছে—

ভট্টাৰহৰিচন্দ্রকৃত— 'চৰকন্যাস' (খ্রী-ষষ্ঠ শতিকা)

আষাঢ়বর্মাকৃত— 'পৰিহাৰ কর্তিকা (খ্রী-নৱম শতিকা)

চক্রপাণিদত্তৰ— 'আয়ুর্বেদদীপিকা' খ্রী. ১১শ শতিকা ইত্যাদিয়েই প্রধান।

২) **সুশ্রুতসংহিতা ঃ** শল্য চিকিৎসা পদ্ধতিৰ প্রৱর্ত্তক ধন্বন্তৰিৰ ৰচিত গ্রন্থক কাশীৰাজ দিবোদাসৰ শিষ্য সুশ্রুত 'সুশ্রুতসংহিতা'ৰ সংকলন। পৰৱর্তী কালত নাগার্জুনৰ হাতত পৰিমার্জিত আৰু সংশোধিত সংকলনটোৱেই বর্তমানৰ সুশ্রুতসংহিতা। এই গ্রন্থৰ ছটা অধ্যায় আছে—

১) সূত্রস্থান ঃ শল্য চিকিৎসাবিষয়ক শব্দাৱলীৰ অর্থ আৰু ভেষজৰ শ্রেণীভাগ।

২) নিদানস্থান ঃ ৰোগৰ কাৰণ আৰু লক্ষণ নির্ণয়।

৩) শৰীৰস্থান ঃ মানৱদেহৰ বিৱৰণ আৰু ভ্রূণতত্ত্ব।

৪) চিকিৎসাস্থান ঃ ৰোগৰ চিকিৎসা পদ্ধতি।

৫) কল্পস্থান— বিবিধ বিষ, তাৰ প্রতিক্রিয়া আৰু চিকিৎসা।

৬) উত্তৰতন্ত্র— পৰৱর্তী কালত এই অংশত বিবিধ বিষয় সংযোজিত।

সুশ্রুতসংহিতাৰ ওপৰত বহুতো টীকা গ্রন্থ ৰচিত হৈছে। ইয়াৰ ভিতৰত প্রাচীনতম টীকা জৈয়ট আৰু গয়াদাসৰ অধিক প্রসিদ্ধ। চক্রপাণিদত্তকৃত টীকাৰ নাম 'ভানুমতী'। খ্রীঃ ৮ম শতাব্দীত সুশ্রুতসংহিতা আৰবী ভাষালৈ অনুবাদ হয়।

সুশ্রুতে গ্রন্থৰ আৰম্ভণিতে চিকিৎসাবিদ্যা অর্জন কৰিবলৈ ওলোৱা ছাত্রসকলক বৈদিক উপনয়নৰ দৰে ধর্মীয় অনুষ্ঠান কৰিহে বিদ্যা অর্জন কৰিবলৈ আগবাঢ়িব লগে বুলি কৈছে। তাৰোপৰি কোৱা হৈছে যে চিকিৎসকসকলে সৎলোক, বন্ধু, চুবুৰীয়া, বিধবা, অনাথ, দুখীয়া, পর্যটক আদিক চিকিৎসা কৰিব লাগে বুলি কৈছে। আনহাতে, চিকাৰী, সমাজৰ পৰা বহিস্কাৰ কৰা লোক আৰু পাপীক চিকিৎসা কৰিব নালাগে বুলি কৈছে।

৩) **অষ্টাঙ্গহৃদয়, অষ্টাঙ্গসংগ্রহ ঃ** চৰক আৰু সুশ্রুতৰ পিছত বাগ্‌ভট্ট নামৰ দুজন প্রসিদ্ধ আয়ুর্বেদবিদৰ নাম পোৱা যায়। উভয়েই বৌদ্ধ আৰু সম্ভৱতঃ পিতা-পুত্র। প্রথম বা বৃদ্ধ বাগ্‌ভট (খ্রী. ৬ষ্ঠ শতিকা) সিংহগুপ্তৰ পুত্র তথা বৌদ্ধ অৱলোকিতৰ শিষ্য আৰু গদ্য-পদ্যময় অষ্টাঙ্গহৃদয় গ্রন্থৰ প্রণেতা। দ্বিতীয় বাগ্‌ভট্ট প্রণীত গ্রন্থৰ নাম 'অষ্টাঙ্গসংগ্রহ'। অষ্টাঙ্গহৃদয় গ্রন্থৰ ওপৰত ৰচনা

কৰা টীকাসমূহৰ ভিতৰত দুখন টীকা প্রসিদ্ধ।

ভগৱান বুদ্ধৰ সমসাময়িক তথা ৰজা বিম্বিসাৰৰ চিকিৎসক জীৱক কায় আৰু শল্যচিকিৎসাত দক্ষতা অর্জন কৰি প্রসিদ্ধি লাভ কৰে। বৌদ্ধ পৰম্পৰাৰ পৰা জনা যায় যে জীৱকে 'কৌমাৰভৃত্য' অর্থাৎ শিশুৰোগ বিশেষজ্ঞ হিচাবে খ্যাতি লাভ কৰিছিল। প্রখ্যাত বৌদ্ধ আচার্য মহামতি নাগার্জুন চিকিৎসা শাস্ত্রত সুপণ্ডিত আছিল। তেওঁ প্রৱর্ত্তিত চিকিৎসাপদ্ধতি 'ৰসবৈদ্যসম্প্রদায়' বা 'সিদ্ধসম্প্রদায়' নামে প্রসিদ্ধ আছিল। এই চিকিৎসাৰ প্রধান বৈশিষ্ট্য হ'ল— ঔষধত লোহা, পাৰদ প্রভৃতি ধাতুৰ মিশ্রণ।

শৰীৰতত্ত্বৰ চর্চ্চা অতিশয় সীমিত আছিল। এই সম্পর্কে 'শৰীৰ-পদ্মিনী' নামেৰে এখন মাত্র গ্রন্থ পোৱা যায়। ইয়াৰ ৰচয়িতা ভাস্কৰ ভট্ট।

নিদান বিষয়ত দুখন শাস্ত্র পোৱা যায়, তাৰে ভিতৰত মাধৱ প্রণীত 'ৰোগবিনিশ্চয়' বা মাধৱনিদান। গ্রন্থখন ৭ম শতিকাত ৰচিত হয় আৰু ৮ম শতিকাত আৰৱী ভাষালৈ অনুবাদ হয়। এই বিষয়ত ধন্বন্তৰি প্রণীত 'চিকিৎসা-সংগ্রহ' আৰু গণনাথ সেনৰ ৰচিত 'সিদ্ধান নিদান' নামৰ অন্য দুখন গ্রন্থও পোৱা যায়।

ভৈষজতত্ত্বৰ ওপৰত মধ্যযুগত দুখন গ্রন্থ চৰিত হয়। এখন হৈছে চক্রপাণি দত্ত প্রণীত 'দ্রব্য গুণ সংগ্রহ' আৰু আনখন ৰাজবল্লভৰ 'দ্রব্যগুণ'।

কায়চিকিৎসা ঃ অষ্টাঙ্গ চিকিৎসাৰ অন্যতম এই শাখাৰ আলোচ্য বিষয় হৈছে শাৰীৰিক ব্যাধিৰ যেনে— জ্বৰ, অতিসাৰ, কুষ্ঠ, মেহ প্রভৃতিৰ উপশমার্থে চিকিৎসা। এই কায়চিকিৎসাৰ গ্রন্থসমূহ মধ্যযুগৰ। নাগার্জুনৰ ৰচিত 'যোগশতক' বা 'যোগসাৰ', চক্রপাণিদত্তকৃত চিকিৎসা 'সাৰসংগ্রহ', বঙ্গসেনকৃত 'চিকিৎসাসাৰ সংগ্রহ' (খ্রীঃ ১২শ শতিকা), শার্ঙ্গধৰকৃত 'সার্ঙ্গধৰ সংহিতা' (খ্রীঃ ১৪শ শতিকা), ভাৱমল্লৰ ৰচিত ভাৱপ্রকাশ (খ্রীঃ ১৬শ শতিকা), লোলিম্ব ৰাজৰ প্রণীত 'বৈদ্য জীৱন' এই বিষয়ৰ উল্লেখযোগ্য গ্রন্থ।

কায়চিকিৎসা পদ্ধতিত বনৌষধিৰ উপৰিও ৰসৌষধিৰ প্রয়োগ সম্পর্কে চর্চা কৰা হৈছে। ৰসৌষধি পদ্ধতিৰ প্রাচীন আচার্য বৌদ্ধ নাগার্জুন।

কৌমাৰভৃত্য ঃ 'কুমাৰ' শব্দৰ অর্থ সদ্যোজাত বা অল্পবয়স্ক শিশু। কৌমাৰভৃত্যৰ ওপৰত ২খন গ্রন্থ পোৱা যায়—

১) কুমাৰভৃত্য (জনৈক ৰাৱণৰ ৰচনাৰূপে জনা যায়।)

২) বালচিকিৎসা (লেখক অজ্ঞাত, মধ্যযুগৰ গ্রন্থ)

নাড়ীবিজ্ঞান ঃ প্রাচীন ভাৰতীয় আয়ুর্বেদ পদ্ধতিৰ অন্যতম বৈশিষ্ট্য হৈছে নাড়ী পৰীক্ষাৰ দ্বাৰা ৰোগনির্ণয়। এই শাখাৰ নিম্নোক্ত গ্রন্থসমূহ পোৱা যায়—

১) কণাদ প্রণীত 'নাড়ী বিজ্ঞান'

২) ৰাৱণ প্রণীত 'নাড়ী পৰীক্ষা'

৩) গঙ্গাধৰ কবিৰাজ প্রণীত 'নাড়ী পৰীক্ষা'

৪) শঙ্কৰসেন প্রণীত 'নাড়ী পৰীক্ষা

৫) গোৱিন্দৰাম প্রণীত 'নাড়ী পৰীক্ষা'

৬) ৰামচন্দ্র সোমযাজীৰ 'নাড়ী পৰীক্ষা'

পশু চিকিৎসা ঃ মানৰ শৰীৰৰ ৰোগ নির্ণয় আৰু নিৰাময়ৰ উপৰিও অতি প্রাচীন কালৰে পৰা পশু চিকিৎসাৰ চর্চ্চা হৈছিল। ৰজাসকলৰ সামৰিক ব্যৱস্থাত সেনাবাহিনীৰ তিনিটা প্রধান ভাগ আছিল— পদাতিক, হস্তীবাহিনী আৰু অশ্ববাহিনী। সেইকাৰণে যুদ্ধত ব্যৱহাৰ কৰা হাতী আৰু ঘোঁৰাৰ চিকিৎসাৰ বিশেষ প্রয়োজন আছিল। পশুচিকিৎসাৰ তিনিটা শাখা— হস্তীচিকিৎসা, অশ্বচিকিৎসা, গবাদিপশুচিকিৎসা। পুৰাণাদিত তিনিজন প্রসিদ্ধ পশুচিকিৎসকৰ নাম পোৱা যায়। শালিহোত্র, নকুল আৰু পালকাপ্য।

পালকাপ্য প্রাচীন ব্যক্তি। তেওঁ পুৰাণপ্রসিদ্ধ ৰোমপাদ ৰজাৰ সমসাময়িক। কিন্তু মূল ৰচনা বর্তমান লুপ্ত। কিন্তু এই ৰচনাক অৱলম্বন কৰি মধ্যযুগত কোনো অজ্ঞাতনামা ব্যক্তিৰ ৰচিত গজায়ুর্বেদ বা গজশাস্ত্র পালকাপ্যৰ নামেৰেই পৰিচিত হয়। পশুচিকিৎসা বিষয়ক অন্যান্য গ্রন্থ—

১) নীলকণ্ঠ আৰু নাৰায়ণৰ ৰচিত— 'মাতঙ্গলীলা'

২) নাৰায়ণ দীক্ষিত ৰচিত— গজগ্রহণপ্রকাৰ।

অশ্বচিকিৎসাৰ প্রাচীন আচার্য শালিহোত্র। অমৰকোষৰ টীকাকাৰ ৰঘুনাথ চক্রৱর্তীয়ে তেওঁৰ টীকাত (অমৰকাব্যৰ টীকাত) শালিহোত্র প্রণীত গ্রন্থৰ পৰা উদ্ধৃতি দিছে। বর্তমান মূল গ্রন্থখন লুপ্ত। গজায়ুর্বেদ শাস্ত্রত অশ্বচিকিৎসাৰ উপৰিও বিভিন্ন বিষয় অন্তর্ভুক্ত হৈছে। অশ্বচিকিৎসা সম্পর্কে নিম্নলিখিত গ্রন্থসমূহ উল্লেখযোগ্য। (পৃষ্ঠা ৫৬১)

১) অশ্বশাস্ত্র

২) অশ্বতন্ত্র

৩) অশ্বচিকিৎসা

৪) অশ্বায়ুর্বেদ

৫) হয়লীলাৱতী

৬) অশ্ববৈদ্যক— জয়দত্তসুৰি

৭) অশ্বলক্ষণ শাস্ত্র

৮) তুৰগ পৰীক্ষা (শার্ঙ্গধৰ প্রণীত)

চিকিৎসা শাস্ত্রৰ ওপৰত লিখা কেবাখনো অভিধান গ্রন্থ আছে। তাৰে ভিতৰত অজ্ঞাতকালীন 'ধন্বন্তৰীয়নিঘণ্টু', ১১শ শতিকাৰ সুৰেশ্বৰৰ 'শব্দপ্রদীপ', ১৩ শতিকাৰ নৰহৰিৰ 'ৰাজনিঘণ্টু' ইত্যাদি।

গছ-গছনিৰ ৰোগ নিৰাময়ৰ ওপৰত প্রাচীন আচার্যসকলে অনেক গ্রন্থ ৰচনা কৰিছিল। তাৰ ভিতৰত সুৰপালৰ 'বৃক্ষায়ুর্বেদ' ৮ম শতিকাত ৰচিত হয়। উক্ত গ্রন্থত বৃক্ষৰ চিকিৎসা পদ্ধতি আৰু ঔষধাদি প্রয়োগৰ বিৱৰণ আছে।

উপৰোক্ত আয়ুর্বেদ শাস্ত্রসমূহৰ উপৰিও পৰৱর্ত্তীকালত ভালেমান আয়ুর্বেদ শাস্ত্র ৰচিত হয়।

জানি থোৱা ভাল



বিজ্ঞানভিত্তিক সাহিত্যৰ ভিতৰত আয়ুর্বেদ অন্যতম। যদিও ঋগ্বেদ, যজুর্বেদ আদিত মানুহৰ ৰোগৰ চিকিৎসাৰ সম্পর্কে কিছু উল্লেখ পোৱা যায়। তথাপিও চিকিৎসাশাস্ত্র সম্পর্কে বিস্তাৰিতভাৱে ভাৰতীয় সাহিত্যৰ ভিতৰত অথর্ববেদতেই আমি প্রথম নিদর্শন পাওঁ। ভৰদ্বাজ, আত্রেয়, কাশ্যপ, হাৰীত, অগ্নিবেশ ভেল আছিল প্রাচীন আয়ুর্বেদ শাস্ত্রৰ আচার্য। এই ঋষিসকলে নিজ নিজ নামত আয়ুর্বেদশাস্ত্র ৰচনা কৰে। এইসকলৰ ভিতৰত আত্রেয় ঋষিক আয়ুর্বেদ বিজ্ঞানৰ প্রতিষ্ঠাতা বুলি ঘোষণা কৰা হয়। মহামতি কৌটিল্যয়ো আয়ুর্বেদ সম্পর্কে কিছু কথা অর্থশাস্ত্রত উল্লেখ কৰিছে।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ১ঃ আয়ুর্বেদশাস্ত্র নিদর্শন কোনখন বেদত পোৱা যায়?

.....

প্রশ্ন নং ২ঃ আয়ুর্বেদ শাস্ত্রৰ প্রধান অঙ্গ কেইটা?

.....

প্রশ্ন নং ৩ঃ চৰকে সংকলন কৰা আয়ুর্বেদ শাস্ত্রখন কাৰ ৰচনা?

.....

প্রশ্ন নং ৪ঃ চৰকৰ সংকলিত শাস্ত্রখন কোনে সমাপ্তি কৰিছে?

.....

প্রশ্ন নং ৫ঃ নাগার্জুনৰ ৰচিত আয়ুর্বেদশাস্ত্রখনৰ নাম কি?

.....

প্রশ্ন নং ৬ঃ 'অষ্টাঙ্গ' হৃদয় সংগ্রহ' কাৰ ৰচনা?

.....

প্রশ্ন নং ৭ঃ দুখন অশ্বায়ুর্বেদৰ নাম লিখক।

.....

২.৪ বাস্তুশাস্ত্র/বাস্তুবিদ্যাৰ পৰিচয়

আয়ুর্বেদ শাস্ত্রৰ পিছত আপুনি এতিয়া বাস্তুশাস্ত্র বা বাস্তুবিদ্যাৰ বিষয়ে জানিব পাৰিব। সংস্কৃত সাহিত্যৰ বিজ্ঞানভিত্তিক সাহিত্যসমূহৰ ভিতৰত বাস্তুবিদ্যা অন্যতম। বাস্তুবিদ্যাক ইংৰাজীত Architecture বুলি জনা যায়। যি শাস্ত্রত গৃহ নির্মাণ বিষয়ক বিভিন্ন নিয়মসমূহৰ উল্লেখ থাকে তাকে বাস্তুবিদ্যা বোলে।

প্রাচীন আৰু মধ্যযুগত হিন্দু, বৌদ্ধ, জৈন তথা ইচ্লাম ধর্মৰ ৰাজন্যবর্গৰ বৃত্তিভোগী কলাবিদসকলে স্থাপত্য আৰু ভাস্কর্যশিল্পত উৎকৃষ্ট শিল্পকর্মৰ ভাণ্ডাৰ গঢ়ি তুলিছিল। শিল্পশাস্ত্রৰ প্রধান আলোচ্য বিষয়সমূহ হ'ল— চিত্রকলা (Painting), মূর্ত্তিশিল্প (Iconography), বাস্তুবিদ্যা (Civi Engineering), ভাস্কর্য (Sculpture) আৰু স্থাপত্য (Architecture)।

শিল্পশাস্ত্র বা বাস্তুবিদ্যা হৈছে বিভিন্ন প্রকাৰৰ গৃহ আদিৰ নির্মাণ পদ্ধতি তথা তেনে গৃহসমূহৰ সুফল-কুফল আদি বিষয়ক আলোচনা কৰা শাস্ত্র। প্রাচীনকালৰ পৰা ভাৰতবর্ষত বাস্তুবিদ্যাই উৎকর্ষ সাধন কৰি আহিছে। বিধিসন্মতভাৱে য'ত গৃহনির্মাণ হয়, তেনে গৃহক— মঙ্গলদায়ক বুলি কোৱা হয়। 'বাস্তু' শব্দৰ অর্থ হৈছে 'নিবাস কৰা'। শিৱপুৰাণৰ কাহিনী অনুসাৰে ভগৱান শিৱই অন্ধকাসুৰক বধ কৰোঁতে শিৱৰ কপালৰ ঘাম মাটিত পৰিছিল। তেতিয়া সেই ঘামৰ টোপালৰ পৰা এটা বিৰাটাকৃতিৰ পুৰুষৰ আৱির্ভাৱ হয়। কঠোৰ তপস্যা কৰি তিনিওলোককে গ্রাস কৰাৰ বাবে শিৱৰ পৰা বৰ লাভ কৰে। শিৱৰ পৰা বৰ লাভ কৰি সেই বিৰাটাকৃতিৰ পুৰুষে তিনিওলোকক অৱৰুদ্ধ কৰে। তেতিয়া ব্রহ্মাই অভিহিত কৰা বাস্তুপুৰুষক ব্রহ্মাৰ কথামতে দেৱতাসকলে সেইপুৰুষক তলৈলৈ মুৰ কৰি পৃথিৱীত পেলাই দিওতে দেৱতাসকলে যি যি অঙ্গত ধৰিছিল তাতেই তেওঁলোকে নিবাস কৰিলে। দেৱতাসকলে নিবাস কৰা বাবে 'বাস্তু' অর্থাৎ নিবাস নামেৰে প্রসিদ্ধ হ'ল। (ভৱনভাস্কৰ- পৃ. ৯/ গীতা প্রেছ)

২.৪.১ বাস্তুশাস্ত্রৰ উৎস

আপুনি এতিয়া বাস্তুশাস্ত্রৰ উৎস সম্পর্কে জানিব পাৰিব। সংস্কৃত সাহিত্যৰ পুৰাণসমূহ ভাৰতীয় সাহিত্যশিল্প সংস্কৃতিৰ আকৰ গ্রন্থ। ভাৰতীয় বিদ্যাৰ বিবিধ শাখাৰ অনুশীলিত জ্ঞান-বিজ্ঞানৰ অৱদান পুৰাণসমূহতে পোৱা যায়। বাস্তুশাস্ত্রৰো প্রধান উৎস হ'ল পুৰাণসমূহ। ঋগ্বেদৰ যুগৰ পৰা আৰম্ভ কৰি ব্রাহ্মণ, উপনিষদসমূহতো বাস্তুশাস্ত্রৰ অধ্যয়নৰ কথা পোৱা যায়। ছান্দোগ্য উপনিষদত কোৱা হৈছে সনৎকুমাৰৰ ওচৰত নাৰদে বিভিন্ন শাস্ত্র অধ্যয়নৰ লগতে বাস্তুশাস্ত্রৰো অধ্যয়ন কৰিছিল। বৌদ্ধ আৰু জৈনসকলৰ বাস্তুশাস্ত্রৰ উন্নতিত যথেষ্ট অৱদান আছে। দক্ষিণ ভাৰতৰ মন্দিৰ,

স্তূপ, বিহাৰ, চৈত্য আদিয়ে প্রাচীন ভাৰতৰ বিখ্যাত গৃহনির্মাণ কৰোঁতাসকলৰ বুদ্ধিমত্তা আৰু নৈতিক উৎকর্ষ সাধনৰ পৰিচয় দিয়ে।

২.৪.২ বিভিন্ন বাস্তুশাস্ত্রৰ উল্লেখ

এতিয়া আপুনি বিভিন্ন বাস্তুশাস্ত্রৰ বিষয়ে জানিব পাৰিব—

বাস্তুশাস্ত্রৰ প্রাচীন আচার্যৰূপে বিষ্ণু, সনৎ কুমাৰ, বিশ্বকর্মা, কাশ্যপ, ময় প্রভৃতিৰ নাম পোৱা যায়। অনুমান হয় বাস্তুশাস্ত্রৰ ওপৰত ৫০ খনতকৈয়ো অধিক গ্রন্থ ৰচিত হৈছিল। কিন্তু সকলো গ্রন্থ বর্তমানে পোৱা নাযায়। যেনে— ৰেখাচিত্র বা অঙ্কণশাস্ত্র বিষয়ক গ্রন্থ ৰেখার্ণৱ, বাস্তুহৃদয়, সুখদানন্দবাস্তু, কলাকোষ; শয়ণশাস্ত্র, প্রভৃতি গ্রন্থৰ নাম পোৱা যায়।

প্রধান প্রধান ৰচনাসমূহ হ'ল—

১) বাস্তুবিদ্যা

২) মনুষ্যালয়চন্দ্রিকা

৩) শ্রীজ্ঞানৰত্নকোষ

৪) ময়মতম্ (প্রাচীন আচার্য ময়ৰ নামত প্রচলিত)

৫) অপৰাজিতা পৃচ্ছা

৬) প্রাসাদমঞ্জৰী

৭) বাস্তুমঞ্জৰী (শ্রীনাথৰ ৰচিত)

৮) প্রাসাদমণ্ডল (মণ্ডন ৰচিত, খ্রী. ১৫শ শতিকা)

৯) বাস্তুকর্ম বা বাস্তুশাস্ত্র

১০) কাশ্যপসংহিতা (কাশ্যপৰ নামত প্রচলিত)

১১) কাশ্যপশিল্পশাস্ত্র (কাশ্যপৰ নামত প্রচলিত)

১২) শিল্পৰত্ন (শ্রীকুমাৰ ৰচিত)

১৩) নাৰদ শিল্পশাস্ত্র (নাৰদৰ নামত প্রচলিত)

১৪) প্রতিমালক্ষণ

১৫) দেৱতামূর্ত্তিপ্রকৰণ

১৬) ৰূপমণ্ডল (মণ্ডল ৰচিত)

১৭) বুদ্ধ প্রতিমালক্ষণ (ইয়াৰ টীকা-সম্বুদ্ধ-ভাষিত-প্রতিমালক্ষণ বিৱৰণী)

১৮) নগ্নজিৎ-চিত্রলক্ষণ (মৎস্যপুৰাণত ইয়াৰ উল্লেখ পোৱা যায়)

১৯) বিষ্ণুধর্মোত্তৰ পুৰাণ (শিল্পকলা বিষয়ক আলোচনা অন্তর্ভুক্ত)

বাস্তুশাস্ত্রবিষয়ক আন এখন গ্রন্থ হৈছে— ভোজদেৱৰ ৰচিত 'সমৰাঙ্গন সূত্রধাৰ'। গ্রন্থখনত মুঠ ৩৩টা পৰিচ্ছেদ আছে আৰু দুটা খণ্ডত বিভক্ত। গৃহনির্মাণৰ নিয়মসমূহৰ উপৰিও যন্ত্রনির্মাণৰ কৌশল 'যন্ত্রবিধান' নামৰ অধ্যায়ত বর্ণিত আছে। এই গ্রন্থৰ প্রধান বিষয়বস্তু হ'ল— নগৰ নির্মাণ, প্রাসাদ নির্মাণ আৰু বিভিন্ন ধৰণৰ অট্টালিকা নির্মাণৰ কথা বর্ণনা কৰা আছে।

'শিল্পৰত্নম্' মহামহোপাধ্যায় গণপতিশাস্ত্রীৰ দ্বাৰা ১৯২২ খ্রীষ্টাব্দত ৰচিত হয়। গ্রন্থখন দুটা খণ্ডত বিভক্ত। প্রথমখণ্ডৰ ৪৬টা অধ্যায়ত স্থাপতি বিদ্যা আৰু দ্বিতীয় খণ্ডৰ ৩৫টা অধ্যায়ত প্রতিমা নির্মাণ পদ্ধতিৰ আলোচনা আছে।

'যুক্তিকল্পতৰু'ৰ ৰচক ঈশ্বৰ চন্দ্রশাস্ত্রী। এই গ্রন্থৰ ২৩নং অধ্যায়ত বাস্তুনির্মাণৰ বিষয়সমূহ আলোচিত হৈছে।

ৰৰাহমিহিৰৰ ৰচিত 'বৃহৎসংহিতা' গ্রন্থৰ ৫৩নং অধ্যায়ত বাস্তুবিদ্যা আৰু ৫৬নং অধ্যায়ত প্রাসাদ লক্ষণ বর্ণিত আছে।

'মনুষ্যালয়চন্দ্রিকা' গ্রন্থখন গণপতি শাস্ত্রীৰ দ্বাৰা ১৯১৭ খ্রীষ্টাব্দত প্রকাশিত। গ্রন্থখনৰ সাতটা অধ্যায়ত গৃহনির্মাণৰ পদ্ধতি বর্ণিত হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ঃ প্রাচীন ভাৰতবর্ষত ৰচিত হোৱা কেইখনমান বাস্তুশাস্ত্রৰ নাম লিখক।

.....

প্রশ্ন নং ৯ঃ 'বাস্তু' শব্দৰ অর্থ কি?

.....

প্রশ্ন নং ১০ঃ 'সমৰাঙ্গনসূত্রধাৰ' গ্রন্থখনৰ ৰচয়িতা কোন আৰু ইয়াত কেইটা পৰিচ্ছেদ আছে?

.....

প্রশ্ন নং ১১ঃ 'শিল্পৰত্নম্' গ্রন্থৰ ৰচক কোন?

.....

প্রশ্ন নং ১২ঃ 'যুক্তিকল্পতৰু' গ্রন্থত কেইটা অধ্যায় আছে?

.....



জানি থোৱা ভাল

প্রাচীন ভাৰতত স্থাপত্যবিদ্যা বা বাস্তুশাস্ত্রৰ চর্চ্চা হৈছিল। এই শাস্ত্রৰ ওপৰত অনেক গ্রন্থ ৰচিত হৈছিল। স্থপতিবিদ্যাৰ প্রধান উৎস হৈছে পুৰাণসমূহ। অধিকাংশ বাস্তুশাস্ত্র খ্রীষ্টীয় ষষ্ঠ শতিকাৰ পিছত ৰচিত। বাস্তুশাস্ত্রসমূহক প্রধানভাৱে তিনিভাগত বিভক্ত কৰিব পাৰি— ১) বাস্তুশাস্ত্র, ২) শিল্পশাস্ত্র বা মূর্ত্তিগঠন, ৩) চিত্রশাস্ত্র।

২.৫ শব্দার্থ তালিকা

আয়ুর্বেদ ঃ বেদসমূহৰ ভিতৰত অন্তিম বেদ

ৰসায়ন ঃ ৰোগ নাশ আৰু দীর্ঘজীৱী কৰা ঔষধ বিশেষ। (হেমকোষ-পৃ. ৮৫৭)

ব্রহ্মসংহিতা ঃ প্রজাপতি ব্রহ্মাৰ দ্বাৰা ৰচিত।

ব্রহ্মবৈৱর্ত্তপুৰাণ ঃ অষ্টাদশ পুৰাণৰ অন্তর্গত দশম পুৰাণ

অশ্বিনীকুমাৰদ্বয় ঃ স্বর্গৰ বৈদ্য, দেৱতাসকলৰ বৈদ্য। ঘোঁৰাৰূপিনী অপ্সৰাৰ পৰা জন্ম দুই যমজ সন্তান।

ঋগ্বেদ ঃ বেদসমূহৰ ভিতৰত প্রথম।

ভৈষজবিদ্যা ঃ গছ-গছনিৰ বিবিধ অংশ প্রয়োগ কৰি ঔষধ বনোৱা। স্বাদ, গন্ধ, ক্রিয়া-বিক্রিয়াৰ দ্বাৰা ব্যাধি নিৰাময় আদিৰ বিষয়ে জ্ঞান।

ভাৰদ্বাজ ঃ দ্রোণাচার্য, কৌৰৱ আৰু পাণ্ডৱৰ শিক্ষাগুৰু।

আত্রেয় ঃ অত্রি ঋষিৰ পুত্র।

ব্রাহ্মণ ঃ ক্লীৱলিঙ্গ 'ব্রহ্মণ্' শব্দৰ অর্থ 'মন্ত্র'-বেদমন্ত্র। তাৰে সৈতে সংশ্লিষ্ট যি সেয়ে 'ব্রাহ্মণ'। ব্রাহ্মণ বেদৰ দ্বিতীয় ভাগ। ব্রাহ্মণ সাহিত্যত বেদমন্ত্রসমূহৰ ব্যাখ্যা কৰা হৈছে।

উপনিষদ ঃ উপনিষদৰ আন নাম বেদান্ত। ই বেদৰ শেষ অর্থাৎ জ্ঞানকাণ্ডৰ অন্তর্গত আৰু বেদৰ শেষ লক্ষ্য বা সিদ্ধান্ত ইয়াত গৃহীত। সেইকাৰণে ইয়াৰ আন নাম বেদান্ত।

ছান্দোগ্যোপনিষদ ঃ সামবেদৰ অন্তর্গত। ছান্দোগ্যোপনিষদ— ছান্দোগ্যোব্রাহ্মণৰ অংশ। ইয়াৰ প্রথম অংশত উপাসনাৰ সমগ্র তত্ত্বটো বিশ্লেষণ কৰা হৈছে। ইয়াত ওঙ্কাৰোপাসনা, সামোপাসনা, সূর্যোপাসনা আৰু প্রাণোপাসনা এই চাৰিবিধ উপাসনাৰ কথা পোৱা হৈছে।

মৎস্যপুৰাণ ঃ অষ্টাদশ পুৰাণৰ অন্তর্গত। মৎস্যপুৰাণ পঞ্চলক্ষণ সমন্বিত এখন প্রাচীন পুৰাণ। প্রবল পানীত যেতিয়া পৃথিৱী প্লাৱিত হয় বিষ্ণুৱে তেতিয়া মৎস্যৰূপ ধাৰণ কৰি নৌকাৰূঢ় মনুক উদ্ধাৰ কৰে আৰু হিমালয়ৰ উচ্চশৃঙ্গত নৌকা

বন্ধন কৰি তেওঁক প্লাৱনৰ পৰা ৰক্ষা কৰে। এই প্ৰাচীন কাহিনীৰ পৰাই মৎস্যপুৰাণ আৰম্ভ। মনু আৰু মৎস্যৰ কথোপকথনেই এই পুৰাণৰ বিষয়বস্তু। ইতিহাসৰ তথ্যসমূহ এই পুৰাণৰ পৰা যথেষ্ট পোৱা যায়।



২.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃত সাহিত্যত দৃশ্য আৰু শ্ৰব্য কাব্যসমূহৰ উপৰিও বিজ্ঞানভিত্তিক (Scientific Literature) সাহিত্য ৰচিত হৈছিল। আয়ুর্বেদ আৰু বাস্তুবিদ্যা Scientific Literature বা বিজ্ঞানভিত্তিক সাহিত্যৰ অন্তর্গত।
- 'আয়ুর্বেদ' শব্দৰ অর্থ জানিব পৰা গ'ল। আয়ুর্বেদৰ উৎস, লক্ষণ আৰু আয়ুর্বেদশাস্ত্ৰৰ ভাগসমূহৰ বিষয়ে জানিব পাৰিলে।
- বিভিন্ন আয়ুর্বেদ শাস্ত্ৰৰ বিষয়ে চমু আভাস পোৱা গ'ল।
- বাস্তুশাস্ত্ৰৰ প্ৰাচীন আচার্যসকলৰ বিষয়ে জানিব পাৰিলে, 'বাস্তু' শব্দৰ অর্থৰ বিষয়ে অৱগত হ'ল।
- বাস্তুশাস্ত্ৰৰ উৎস আৰু বাস্তুশাস্ত্ৰৰ নাম আৰু কেইখনমান বাস্তুশাস্ত্ৰৰ চমু আভাস পোৱা হ'ল।
- বাস্তুশাস্ত্ৰৰ আভাস ব্ৰাহ্মণ, উপনিষদ আৰু পুৰাণসমূহত পোৱা যায়।
- চিত্ৰকলা, মূৰ্ত্তিশিল্প, বাস্তুবিদ্যা, ভাস্কর্য আৰু স্থাপত্যবিদ্যা এই সকলোবোৰ বাস্তুশাস্ত্ৰৰ অন্তর্গত।



২.৭ অধিক জানিবলৈ

১) শর্মা, থানেশ্বৰ, *'সংস্কৃত সাহিত্যৰ ইতিবৃত্ত'*, গুৱাহাটী, চন্দ্রপ্রকাশ।

২) গোস্বামী, হৰমোহনদেৱ, *'সংস্কৃত সাহিত্যৰ বুৰঞ্জী'*, গুৱাহাটী, বুকলেণ্ড।

৩) Krishnamachariar. M. *'History of Classical Sanskrit Literature'*, New Delhi, MLBD।

৪) বন্দোপাধ্যায়, ধীৰেন্দ্রনাথ, দ্বিতীয় সংস্কৰণ (২০১৪); *'সংস্কৃত সাহিত্যৰ ইতিহাস'*, পশ্চিমবংগৰাজ্য পুস্তক পর্ষৎ, কলকাতা।



২.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ অথর্ববেদত।

২নং প্রশ্নৰ উত্তৰ ঃ আঠটা— (শল্য, শালাক্য, কায়চিকিৎসা, ভূতবিদ্যা, কৌমাৰভৃত্য, অগদতন্ত্র, ৰসায়নতন্ত্র, বাজীকৰণতন্ত্র)।

৩নং প্রশ্নৰ উত্তৰ ঃ অগ্নিবেশে ৰচনা কৰিছে।

৪নং প্রশ্নৰ উত্তৰ ঃ কপিলৰ পুত্র দৃঢ়বলে।

৫নং প্রশ্নৰ উত্তৰ ঃ যোগশতক বা যোগসাৰ, ৰসৰত্নাকৰ।

৬নং প্রশ্নৰ উত্তৰ ঃ বাগভট্ট।

৭নং প্রশ্নৰ উত্তৰ ঃ অশ্বশাস্ত্র, অশ্বায়ুর্বেদ।

৮নং প্রশ্নৰ উত্তৰ ঃ সমৰাঙ্গনসূত্রধাৰ, শিল্পৰত্নম্, যুক্তিকল্পতৰু।

৯নং প্রশ্নৰ উত্তৰ ঃ 'বাস্তু' শব্দৰ অর্থ 'নিবাস'।

১০নং প্রশ্নৰ উত্তৰ ঃ ভোজৰাজ, ৩৩টা পৰিচ্ছেদ আছে।

১১নং প্রশ্নৰ উত্তৰ ঃ গণপতি শাস্ত্রী।

১২নং প্রশ্নৰ উত্তৰ ঃ ২৩টা অধ্যায় আছে।



২.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ সংস্কৃত সাহিত্যত আয়ুর্বেদৰ ভূমিকা সম্পর্কে চমুকৈ লিখক।

খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ আয়ুর্বেদ শাস্ত্র কাক বোলে? ইয়াৰ উৎস কি?

(গ) ৰচনাধর্মী প্রশ্ন (৩০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ আয়ুর্বেদ শাস্ত্র ৰচনা কৰাৰ উদ্দেশ্য কি? সংস্কৃত সাহিত্যত ৰচিত হোৱা আয়ুর্বেদ শাস্ত্রসমূহৰ বিষয়ে লিখক।

প্রশ্ন ২ঃ সংস্কৃত সাহিত্যত ৰচিত হোৱা বাস্তুশাস্ত্রসমূহৰ বিষয়ে বহলাই লিখক।

*** ***** ***